**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 01-02-2026 **Time :** 0755 Hrs.

# HEADLINES

বটদ্ৰৱা আৱিৰ্ভাৱ ক্ষেত্ৰ আজিৰ পৰা দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হ'ব। কালি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই জাননীযোগে এইকথা সদৰি কৰে। বটদ্ৰৱা প্ৰকল্প আৰু আৱিৰ্ভাৱ ক্ষেত্ৰ দৰ্শনাৰ্থীৰ বাবে সম্পূৰ্ণ বিনামুলীয়া হ'ব যদিও দৰ্শনাৰ্থীসকলে কেতবোৰ নিয়ম মানি চলিব লাগিব বুলি জাননীখনত কোৱা হৈছে। দৰ্শনৰ সময় পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ ধাৰ্য কৰা হৈছে। আবিৰ্ভাৱ ক্ষেত্ৰত সকলো ধৰণৰ বাহনৰ প্ৰৱেশ সম্পূৰ্ণৰূপত নিষিদ্ধ কৰা হৈছে। ধুমপান, যিকোনো ধৰণৰ মাদক দ্ৰব্য ব্যৱহাৰ, তামোল-পান, পান মছলাৰ দৰে সামগ্ৰীসমূহৰ ক্ষেত্ৰতো জাননীৰ জৰিয়তে  বাধা আৰোপ কৰা হৈছে। পৰম্পৰাগত সাজ পাৰ পৰিধান কৰা সকলক প্ৰৱেশত অগ্ৰাধিকাৰ দিয়া হ'ব বুলিও জাননীখনত উল্লেখ কৰা হৈছে। বটদ্ৰৱা ধাম দৰ্শন কৰোতে দৰ্শনাৰ্থীসকলক এই সকলো নিয়ম শৃংখলা বৰ্তাই ৰাখিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে।

০০০০০০০

দিছপুৰৰ ড০ আৰ পি ৰোডত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই স্বাধীনতা সংগ্ৰামী ছবিলাল উপাধ্যায়ৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ প্ৰথমগৰাকী সভাপতি ছবিলাল উপাধ্যায়ে স্বাধীনতা আন্দোলনত বিশেষ ভূমিকা পালন কৰিছিল বুলি মন্তব্য কৰে। অসমত অসহযোগ আন্দোলনক সক্ৰিয়ভাৱে নেতৃত্ব দিয়াৰ বাবে তেওঁ প্ৰায় ছমাহ কাৰাগাৰত থাকিবলগীয়া হৈছিল বুলিও তেওঁ উল্লেখ কৰে। এইগৰাকী মহান সেনানীৰ ত্যাগক মূল্যায়ণ কৰি শ্ৰদ্ধা জনোৱাৰ বাবে এই প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

***(বাইট ঃ ড০ শৰ্মা)***

অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, দিছপুৰৰ বিধায়ক অতুল বৰা, সাংসদ বিজুলী কলিতা মেধি আৰু গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি  উপস্থিত থাকে।

০০০০০০০

মিচিং স্বায়ত্ব শাসিত পৰিষদৰ উদ্যোগত আৰু জোনাই ধেমাজিবাসীৰ সহযোগত আজিৰে পৰা চাৰি দিনীয়া কাৰ্যসূচীৰে বেৰা ঘাটৰ চিয়াংলালী নৈৰ পাৰত তৃতীয় পবা বৰ্ষাৰণ্য প্ৰাকৃতিক মহোৎসৱ অনুষ্ঠিত হ'ব। বনাঞ্চলখনৰ সংৰক্ষণ, ভৱিষ্যত প্ৰজন্মক প্ৰকৃতিৰ সৈতে একাত্ম কৰি তোলা আৰু পৰ্যটনৰ বিকাশৰ বাবে এই মহোৎসৱ পালন কৰা হৈছে। এইবাৰ তিনি তৰপীয়া কাৰ্যসূচীৰে পালন কৰা মহোৎসৱৰ অংশ হিচাপে সজাগতা সভা, প্ৰকৃতি বিষয়ক আলোকচিত্ৰ প্ৰদৰ্শন প্ৰতিযোগিতা, গ্ৰন্থমেলা, বনাঞ্চলত ট্ৰেকিং প্ৰশিক্ষণ, চৰাই চিনাক্তকৰণ আৰু সংৰক্ষণ বিষয়ক কাৰ্যকলাপ, নৌকা বিহাৰকে ধৰি বিভিন্ন আকৰ্ষণীয় অনুষ্ঠান ৰখা হৈছে। তদুপৰি কবি সন্মিলন, ছাত্ৰ সন্মিলন, গ্ৰাম্য ক্ৰীড়া, থলুৱা খাদ্য আৰু বস্ত্ৰ মেলাও মুকলি কৰা হ'ব। উল্লেখযোগ্য যে, ১৯২৪ চনতে সংৰক্ষিত বনাঞ্চল ৰূপে স্বীকৃতি লাভ কৰা পবা বনাঞ্চল জৈব বৈচিত্ৰ্যৰ অনুপম স্থলী। বিভিন্ন

প্ৰজাতিৰ চিৰ সেউজীয়া গছ-গছনি, লতা, গুল্ম জাতীয় উদ্ভিদ আৰু ঘাহনিৰে আবৃত্ত বনাঞ্চলখনত চৰাই-চিৰিকতি, কীট-পতংগ আৰু কেইবাটাও প্ৰজাতিৰ বন্য প্ৰাণী বিচৰণভূমি। পৰ্যটনৰ ক্ষেত্ৰত বনাঞ্চলখনৰ অপাৰ সম্ভাৱনা আছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নাওবৈচা বিধানসভা সমষ্টিৰ ৩১ হাজাৰ ১২৪ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে খুমটাই বিধানসভা সমষ্টিতো ৩০ হাজাৰ ৯৫৭ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। নৰাগাঁও খেলপথাৰত আয়োজিত এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা নৰাগাঁও মিনি ষ্টেডিয়াম মুকলি কৰে। ১৪ বিঘা ভূমিত নিৰ্মাণ কৰা এই ষ্টেডিয়ামখনত ছুইমিং পুল, ইনড'ৰ ষ্টেডিয়াম, বেডমিণ্টন ক'ৰ্ট, শ্যুটিং, টেবুল টেনিছ কক্ষ আৰু ব্যায়ামগাৰৰ সুবিধা আছে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ ৰহমৰীয়াৰ ব্ৰহ্মপুত্ৰৰ বালিচাপৰিত যোৱা ২৫ জানুৱাৰীৰ পৰা অনুষ্ঠিত অকলেণ্ড পৰিৱেশ পৰ্যটন আৰু সাংস্কৃতিক মহোৎসৱৰ কালি সামৰণি পৰে। ৰহমৰীয়া অঞ্চলৰ গ্ৰাম্য পৰ্যটনৰ বিকাশ, অৰ্থনৈতিক উন্নয়ন, জনগোষ্ঠীয় সাংস্কৃতিক বিকাশ, পৰিৱেশ অনুকূল আৰু বহনক্ষম কৃষি প্ৰণালীৰ উত্তৰণৰ উদ্দেশ্যে প্ৰথমবাৰ্ষিক এই মহোৎসৱৰ সফল সমাপ্তিৰ বাবে আয়োজকসকলে সকলোৰে প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। মহোৎসৱৰ সাতদিনীয়া কাৰ্যসূচীত অসমভিত্তিক বিভিন্ন প্ৰতিযোগিতা, সংগীতানুষ্ঠান, সাহিত্য আৰু জৈৱিক কৃষি তথা উদ্যানশস্য মেলা, আলোচনা চক্ৰ অনুষ্ঠিত হয়।

০০০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া ক্ৰীড়া সন্থাৰ কালি এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। নাহৰকটীয়া সমষ্টিৰ বিধায়ক তথা ক্ৰীড়া সন্থাৰ সভাপতি তৰংগ গগৈয়ে সভাৰ সভাপতিত্ব কৰে। এই সভাত পৰৱৰ্তী সময়ত হ'বলগীয়া সন্থাৰ বাৰ্ষিক সাধাৰণ সভা সন্দৰ্ভত আলোচনা কৰাৰ লগতে অলপতে সামৰণি পৰা প্ৰথম বাৰ্ষিক টছেন বড়া সোঁৱৰণী সদৌ অসম আমন্ত্ৰণমূলক আন্তঃক্লাব ফুটবল প্ৰতিযোগিতা সম্পৰ্কে আলোচনা কৰা হয়। নাহৰকটীয়াৰ প্ৰতিভাবান খেলুৱৈসকলক আগুৱাই লৈ যোৱাৰ সন্দৰ্ভত আলোচনা কৰা এই কাৰ্যনিৰ্বাহক সভাত ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদকৰ লগতে বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**